জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৭৫০/২০২০**

# বিশিষ্ট চিত্ৰশিল্পী, কাৰ্টুনিষ্ট ত্ৰৈলোক্য দত্তৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১২ নৱেম্বৰ ঃ** বিশিষ্ট চিত্ৰশিল্পী, কাৰ্টুনিষ্ট ত্ৰৈলোক্য দত্তৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত চিত্ৰশিল্পীগৰাকীয়ে ৰাজ্যখনৰ সংবাদ আৰু শিল্প জগতলৈ যি বৰঙনি আগবঢ়াই গৈছে সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ‘কাহুদী’ শিৰোনামেৰে ‘বক্স কাৰ্টুন’ অংকনৰ জৰিয়তে অসমৰ সংবাদজগতত এক অনন্য মাত্ৰা প্ৰদান কৰা এইগৰাকী বিশিষ্ট কাৰ্টুনিষ্টৰ বিয়োগ আমাৰ সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত চিত্ৰশিল্পী ত্ৰৈলোক্য দত্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / প্ৰঃকুঃবঃ**
**১২/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in